# সুচিপত্ৰ

**প্ৰ বা** 5
‘যোহনৰ প্ৰকাশিত বাক্য’ৰ পাতনি 5
5
Chapter 1 5
১ অধ্যায় 2 6
১ অধ্যায় 3 6
৩ অধ্যায় 4 9
৪ অধ্যায় 5 10
৫ অধ্যায় 6 11
৬ অধ্যায় 7 11
৬ অধ্যায় 8 11
৮ অধ্যায় 9 13
৯ অধ্যায় 10 14
১০ অধ্যায় 11 15
১১ অধ্যায় 12 16
১২ অধ্যায় 13 17
১৩ অধ্যায় 14 18
১৪ অধ্যায় 15 19
১৫ অধ্যায় 16 20
১৬ অধ্যায় 17 21
১৭ অধ্যায় 18 22
১৮ অধ্যায় 19 24
১৯ অধ্যায় 20 26
২০ অধ্যায় 21 27
২১ অধ্যায় 22 28
**অবদানকাৰী** 30
Assamese Unlocked Literal Bible অবদানকাৰী 30
Tischendorf Greek New Testament 8th edition অবদানকাৰী 30

# প্র বা

## ‘যোহনৰ প্ৰকাশিত বাক্য’ৰ পাতনি

‘যোহনৰ প্ৰকাশিত বাক্য’ নতুন নিয়মৰ পুস্তক সমূহৰ ভিতৰত শেষৰ পুস্তক। খ্ৰীষ্টৰ জন্মৰ পাছত, প্ৰায় 95 খ্ৰীষ্টাব্দত পাঁচনি যোহনৰ দ্বাৰা শেষত এই পুস্তকখন লিখা হৈছিল। তেওঁ ‘যোহনে লিখা শুভবাৰ্তা’ আৰু ‘প্ৰথম যোহন’, ‘দ্বিতীয় যোহন’ আৰু ‘তৃতীয় যোহন’, এই তিনিখন পত্ৰও লিখিছিল। “যীচুৱে যাক ভাল পায়” (যোহন 13:23) তেনে এজন ব্যক্তি ৰূপেও যোহন জনাজাত আছিল। যেতিয়া তেওঁ পাত্ম দ্বীপত নিৰ্বাসিত হৈ আছিল, তেতিয়া তেওঁ এই পুস্তকখন লিখিছিল; কাৰণ যীচু খ্ৰীষ্টৰ শুভবাৰ্তা ঘোষণা কৰিবৰ বাবেই তেওঁক নিৰ্বাসিত কৰা হৈছিল (প্ৰকাশিত বাক্য 1:9)।

যোহনৰ প্ৰকাশিত বাক্য পুস্তকখন লিখাৰ প্ৰধান উদ্দেশ্য হ’ল, পাঠকসকলক ভৱিষ্যতৰ আশা দিয়া আৰু যীচু খ্ৰীষ্টৰ প্ৰতি বিশ্বাসী হৈ থাকিবলৈ উৎসাহ দিয়া। কাৰণ যীচুৰ পুণৰ আগমণৰ সময় অতি ওচৰ (1:3, 22:7)। তেওঁ সকলো সাধাৰণ বিশ্বাসীলৈ আৰু 2-3 অধ্যায়ত সাতটা নিৰ্দিষ্ট মণ্ডলীলৈও লিখিছিল। যোহনে নিজৰ লিখনীক ভাৱবাণী ৰূপে আখ্যা দিছে (1:3) আৰু দৰ্শনৰ মাধ্যমেদি তেওঁ যি সকলো দেখা পাইছিল, সেই সকলোকে বৰ্ণনা কৰিবলৈ গোটেই পুস্তকখনত বহুতো প্ৰতীক চিহ্ন বা ৰূপক ব্যৱহাৰ কৰিছে। এই পুস্তকখন পুৰণি নিয়মৰ, বিশেষকৈ জখৰীয়া 6:1-8) পদৰ কিছুমান অংশৰ সৈতে মিল আছে। শাস্তি দিয়াৰ উদ্দেশ্যে মিচৰ দেশলৈ পঠোৱা মহামাৰীৰ সৈতেও সাতটা শিঙা আৰু সাতটা পানপাত্ৰৰ অধিক মিল আছে (যাত্ৰাপুস্তক 7-9)। প্ৰকাশিত বাক্যই অন্তিম কালৰ বিষয়ে জনায় যে, যীচু বিজয়ী হ’ব আৰু যীচুৰ ওপৰত বিশ্বাস স্থাপন কৰা সকলো লোক তেওঁৰ লগত চিৰকাল বসবাস কৰিব। এই পুস্তকে আপোনালোকক সতৰ্ক কৰি ৰাখক আৰু যীচু যে পুণৰায় শীঘ্ৰে আহি আছে, তাৰ বাবে আপোনালোকক ভৱিষ্যতৰ আশা দিয়ক।

চমু বিৱৰণ: যোহন নিজে কোন হয় আৰু কেনেকৈ তেওঁ এই ভৱিষ্যতবাণীপূৰ্ণ দৰ্শন প্ৰাপ্ত কৰিছে, সেই কথাৰে আৰম্ভ কৰিছে (1:1-1:20) তেওঁ যীচুৰ পৰা পোণপটীয়াকৈ সাতটা মণ্ডলীলৈ পোৱা এক বাৰ্তা দিছে (1:1-3:22)। তাৰ পাছত তেওঁ সাতটা মোহৰ (4:1-8:5) আৰু সাতটা শিঙাৰ বৰ্ণনা কৰিছে (8:6-11:19) ইয়াৰ পাছত যোহনে সাতটা মূৰ থকা নাগৰ বিৰুদ্ধে পুত্ৰ সন্তানৰ যুদ্ধৰ বৰ্ণনা কৰিছে (12:1-14:20) তাৰ পাছত তেওঁ ক্ৰোধৰ সাতটা পানপাত্ৰৰ বিষয়ে লিখিছে (15:1-16:18) পাছত ঈশ্বৰ কেনেদৰে তেওঁৰ শত্ৰুবোৰৰ ওপৰত জয়ী হয়, যোহনে তাৰ বৰ্ণনা দিছে (17:1-20:15)। অৱশেষত তেওঁ অন্তিম কালত যি নতুন স্বৰ্গ আৰু নতুন পৃথিৱী আহিব, তাৰ বৰ্ণনা দিছে (21:1-22:21)

## Chapter 1

### মঙ্গলবাদ; স্বৰ্গনিবাসী যীচুৰ দৰ্শন

1অলপতে যি যি ঘটিবলগীয়া আছে, সেই বিষয়ে যীচু খ্ৰীষ্টে তেওঁৰ দাস সকলক দেখুৱাবৰ কাৰণে, ঈশ্বৰে তেওঁত সমৰ্পণ কৰা তেওঁৰ প্ৰকাশিত
বাক্য। এই বাক্য তেওঁ দূতৰ যোগেদি তেওঁৰ দাস যোহনক জনালে। 2যোহনে ঈশ্বৰৰ বাক্য আৰু যীচু খ্ৰীষ্টৰ সাক্ষ্যৰ বিষয়ে, যি যি দেখা পালে,
সেই সকলোৰে বিষয়ে সাক্ষ্য দিলে। 3যি জনে এই ভাববাণীৰ বাক্যবোৰ পঢ়ে, তেওঁ ধন্য; আৰু যি সকলে শুনে আৰু ইয়াত লিখা কথাবোৰ
পালন কৰে, তেওঁলোকো ধন্য; কিয়নো কাল ওচৰ।

4যোহন, এচিয়াত থকা সাত মণ্ডলীৰ প্ৰতি: যি জন হয়, যি জন আছিল, আৰু যি জন আহিব, তেওঁৰ পৰা আৰু তেওঁৰ সিংহাসনৰ সন্মুখত থকা
সাত আত্মাৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক, 5আৰু যীচু খ্ৰীষ্টৰ পৰা, যি জন বিশ্বাসযোগ্য সাক্ষী, মৃত সকলৰ মাজত প্ৰথমে
জন্ম পোৱা আৰু পৃথিৱীৰ ৰজা সকলৰ অধিকাৰী, তেওঁৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক। যি জনে আমাক প্ৰেম কৰে আৰু
নিজৰ তেজেৰে আমাক পাপৰ পৰা মুক্ত কৰিলে,[1] 6আৰু তেওঁ আমাক ৰাজ্য স্বৰূপ কৰিলে, ঈশ্বৰৰ আৰু তেওঁৰ পিতৃৰ উদ্দেশ্যে পুৰোহিত
কৰিলে, তেওঁৰ মহিমা আৰু পৰাক্ৰম সদা-সৰ্বদায় হওক।[2] আমেন।

7চাওক, তেওঁ মেঘৰ সৈতে আহিছে;[3]

আটাই চকুৱে তেওঁক দেখিব,

যি সকলে তেওঁক বিন্ধিলে,[4] তেওঁলোকেও তেওঁক দেখিব;

আৰু পৃথিৱীৰ সকলো ফৈদে তেওঁৰ কাৰণে হিয়া ভুকুৱাব;

হয়, আমেন।

8প্ৰভু পৰমেশ্বৰে কৈছে-“মই আলফা আৰু ওমেগা”, “যি জন আছে, যি জন আছিল আৰু যি জন আহিব, সেই সৰ্বশক্তিমান।”[5]

7:17 [5]
7:17 [6]

# ৬ অধ্যায় 8

## সাত জন তুৰী বাদক স্বৰ্গৰ দূতৰ দৰ্শন

1পাছত সেই মেষ পোৱালিয়ে যেতিয়া সপ্তম ছাব মেলিলে, তেতিয়া স্বৰ্গত প্ৰায় আধা ঘণ্টামান নিস্তদ্ধতাৰে পৰিপূৰ্ণ হ’ল। 2আৰু ঈশ্বৰৰ আগত
থিয় হৈ থকা যি সাত জন দূতক দেখিলোঁ; তেওঁলোকক সাতোটা তুৰী দিয়া হ’ল।

3পাছত সোণৰ ধূপবাতি লোৱা আন এজন দূত আহি বেদীৰ ওচৰত উপস্থিত হ’ল; আৰু সিংহাসনৰ আগত থকা সোণৰ বেদীৰ ওপৰত সকলো
পবিত্ৰ লোকৰ প্ৰাৰ্থনাৰ সৈতে, তেওঁক ভালেমান ধুপ দিয়া হ’ল। 4তাতে সকলো পবিত্ৰ লোকৰ প্ৰাৰ্থনাৰে সৈতে দূতৰ হাতৰ পৰা ধুপৰ ধোঁৱা
ঈশ্বৰৰ সন্মুখলৈ উঠিল। 5পাছত দূতে ধুপবাতি লৈ, তাত বেদীৰ পৰা জুই ভৰাই ল’লে। আৰু যেতিয়া তেওঁ এইবোৰ পৃথিৱীলৈ পেলাই দিলে,
তেতিয়া মেঘ-গৰ্জ্জন, গাজনি, বিজুলী আৰু ভুমিকম্প হ’ল।

6পাছত সাতোটা তুৰী লোৱা এই সাত জন দূতে তুৰী বজাবলৈ নিজক যুগুত কৰিলে।

7পাছত প্ৰথম জন দূতে বজাওঁতে, তেজ মিহলি কৰা শিল আৰু জুই উপস্থিত হ’ল। সেইবোৰক পৃথিৱীলৈ পেলোৱা হ’ল; তেতিয়া পৃথিৱীৰ তিনি
ভাগৰ এভাগ পোৰা হ’ল, গছবোৰো তিনি ভাগৰ এভাগ পোৰা হ’ল আৰু সকলো কেচা তৃণো পোৰা হ’ল।

8পাছত দ্বিতীয় দূতে বজাওঁতে, অগ্নিৰে জ্বলি থকা মহা-পৰ্ব্বতৰ নিচিনা কিবা এটা সাগৰত পেলোৱা হ’ল। তেতিয়া সাগৰৰ তিনি ভাগৰ এভাগ
তেজ হ’ল 9আৰু সাগৰত থকা সৃষ্ট বস্তুৰ ভিতৰৰ জীৱ-জন্তু তিনি ভাগৰ এভাগ মৰিল, জাহাজবোৰো তিনি ভাগৰ এভাগ নষ্ট হ’ল।

10পাছত তৃতীয় দূতে বজাওঁতে, আৰিয়াৰ নিচিনা জ্বলি থকা এটা বৰ তৰা আকাশৰ পৰা খহি, নদীৰ তিনি ভাগৰ এভাগত আৰু জলৰ
ভুমুকবোৰত পৰিল। 11সেই তৰাৰ নাম তিক্ততা (নাগদানা)।[1] তাতে জলৰ তিনি ভাগৰ এভাগ তিতা হ’ল আৰু পানী তিতা হোৱাত সেই পানীৰ
কাৰণে অনেক মানুহ মৰিল।

12পাছত চতুৰ্থ দূতে বজাওঁতে, সূৰ্যৰ তিনি ভাগৰ এভাগ, চন্দ্ৰৰ তিনি ভাগৰ এভাগ আৰু তৰাবোৰো তিনি ভাগৰ এভাগ যেন আন্ধাৰ হ’ল;
আৰু দিনৰ তিনি ভাগৰ এভাগ পোহৰ নাইকিয়া হ’ল আৰু ৰাতিৰো সেইৰূপ হ’ল, এই কাৰণে সেইবোৰৰ প্ৰত্যেকৰ তিনি ভাগৰ এভাগ আঘাত
প্ৰাপ্ত হ’ল।

13পাছত মই চাওতে আৰু শুনোতে, এটা ঈগল পক্ষীয়ে আকাশৰ মাজত উৰি উৰি বৰ মাতেৰে এই কথা কোৱা শুনিলোঁ, “যি তিনি জন দূতে
তুৰী বজাবলৈ উদ্যত আছে, তেওঁলোকৰ সেই অৱশিষ্ট তুৰী-ধ্বনীত পৃথিৱীত বাস কৰা লোক সকলৰ সন্তাপ, সন্তাপ, সন্তাপ হ’ব”।

---

8:11 [1]

# ৮ অধ্যায় 9

1তেতিয়া পঞ্চম দূতে তেওঁৰ তুৰী বজালে। আকাশৰ পৰা পৃথিৱীলৈ সৰি পৰা এটা তৰা দেখিবলৈ পালোঁ। অগাধ ঠাইৰ কুণ্ডৰ[1] চাবি তেওঁক
দিয়া হ’ল। 2তাতে তেওঁ সেই অগাধ ঠাইৰ কুণ্ড মেলোতে, কুণ্ডৰ পৰা বৰ অগ্নিকুণ্ডৰ ধোঁৱাৰ নিচিনাকৈ ধোঁৱা উঠিল; তাতে সেই কুণ্ডৰ ধোঁৱাৰে সূৰ্য্য
আৰু আকাশ অন্ধকাৰময় হ’ল।

3সেই ধোঁৱাৰ পৰা কচুৱা ফৰিংবোৰ পৃথিৱীত ওলাল; আৰু সেইবোৰক, পৃথিৱীৰ কেঁকোৰা-বিছাৰ ক্ষমতাৰ নিচিনা ক্ষমতা দিয়া হ’ল। 4আৰু
পৃথিৱীৰ কোনো তৃণ, বা কোনো কেচা শাক বা কোনো গছ অনিষ্ট কৰিবলৈ দিয়া নহ’ল, কিন্তু যি সকলৰ কপালত ঈশ্বৰৰ ছাব নাই, অকল তেনে
লোক সকলক অনিষ্ট কৰিবলৈ সেইবোৰক কোৱা হ’ল।

5সেই লোক সকলক বধ কৰিবলৈ তেওঁলোকক অনুমতি দিয়া হোৱা নাই, কিন্তু লোক সকলক পাঁচ মাহলৈকে যাতনা দিবৰ বাবে, সেইবোৰক
ক্ষমতা দিয়া হ’ল। কেঁকোৰা-বিছাই মানুহক বিন্ধাত যেনে যাতনা, সেইবোৰে দিয়া যাতনাও তেনে। 6সেই কালত লোক সকলে মৃত্যুক বিচাৰিব,
কিন্তু কোনোমতে তাক নাপাব; তেওঁলোকে মৰিবলৈ আকাংক্ষা কৰিব, কিন্তু মৃত্যু তেওঁলোকৰ পৰা পলাব।

7সেই ফৰিংবোৰৰ আকৃতি, যুদ্ধৰ অৰ্থে সুসজ্জিত কৰা ঘোঁৰাৰ নিচিনা। তেওঁলোকৰ মুৰত সোণৰ কিৰীটি থকা যেন দেখা যায় আৰু সিহঁতৰ মুখ
মানুহৰ মুখৰ নিচিনা। 8মহিলাৰ চুলিৰ নিচিনা সিহঁতৰ চুলি আছিল; সিহঁতৰ দাঁত সিংহৰ দাঁতৰ নিচিনা। 9লোহাৰ বুকুবৰিৰ নিচিনা সিহঁতৰ
বুকুবৰি আছিল; সিহঁতৰ ডেউকাৰ শব্দ, ৰণলৈ ল’ৰি যোৱা ঘোঁৰা লগোৱা ৰথৰ শব্দৰ নিচিনা।

